Principal
Chaiduar College
Gohpur

# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–RG–5016

( Regular Generic )

( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱ বিৰচিত প্ৰথম বৰগীতটিৰ প্ৰথম শাৰীটো লিখা।

(খ) শংকৰদেৱে ৰচনা কৰা একমাত্ৰ সংস্কৃত গ্ৰন্থখনৰ নাম কি?

(গ) 'কীৰ্ত্তনঘোষা'ৰ ওৰেষা বৰ্ণনৰ 'ওৰেষা' শব্দটোৰে বৰ্তমানৰ কোনখন ৰাজ্য নিৰ্দেশ কৰা হৈছে?

(ঘ) 'নাৰায়ণ কাহে ভকতি'—বৰগীতটি কি ৰাগত ৰচিত?

(ঙ) বৰগীতত থকা এটি তালৰ নাম লিখা।

(চ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ গ্ৰন্থখনৰ মূল সংগ্ৰহ কৰা গ্ৰন্থ এখনৰ নাম লিখা।

(ছ) ইন্দ্ৰৰ পত্নীৰ নাম কি?

(জ) সাৰংগ পাণি কোন?

(ঝ) ‘কীৰ্ত্তনঘোষা’ত কেইটা অধ্যায় বা খণ্ড আছে?

(ঞ) হৰিশ্চন্দ্ৰ ৰজাৰ পত্নীৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) শংকৰদেৱে ৰচনা কৰা দুখন নাম প্ৰসংগৰ পুথিৰ নাম লিখা।

(খ) থাক থাক কৈক যাইবি ৰাজা অহংকাৰী।
আৰ মান সাধো বুলি মোচৰন্ত ডাৰি॥

ইয়াত কোনে, কোন ৰজাৰ বিষয়ে কৈছে?

(গ) ইন্দ্ৰৰ দুখৰ কথা আৰু নৰকাসুৰৰ উপদ্ৰৱৰ কথা শুনি কৃষ্ণই ইন্দ্ৰক কেনেদৰে সান্ত্বনা দিছিল?

(ঘ) শিশুলীলাত উল্লেখ থকা মতে কোন ঋষিয়ে কৃষ্ণৰ জাত কৰ্ম কৰিছিল আৰু তেওঁক নন্দৰ গৃহলৈ কোনে পঠিয়াইছিল?

(ঙ) সুৱৰ্ণ ৰজত লোহা জ্বলে তিনি শৃংগ।
চক্ষু চমক লাগে দেখিতে বিৰিংগ॥

এই তিনি শৃংগ কি পৰ্বতত আছে? পৰ্বতটো কোনখন সাগৰৰ মাজত অৱস্থিত?





৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্য সৃষ্টিৰ মুখ্য উদ্দেশ্যটোৰ বিষয়ে লিখা।

*অথবা*

শংকৰদেৱে ৰচনা কৰা ভটিমাৰ বিষয়ে এটি টোকা লিখা।

(খ) ‘নাৰায়ণ কাহে ভকতি’—বৰগীতটোৰ মূল কথাখিনি লিখা।

*অথবা*

‘নাৰায়ণ কাহে ভকতি’—বৰগীতটোত প্ৰকাশ পোৱা নাৰায়ণৰ ৰূপ-গুণৰ বিৱৰণ দিয়া।

(গ) ‘সাৰংগ পাণি’—বৰগীতটিত প্ৰকাশ পোৱা আধ্যাত্মিক ভাৱ সম্পৰ্কে লিখা।

*অথবা*

‘সাৰংগ পাণি’—বৰগীতটিৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঘ) ‘পাৰিজাত হৰণ’ নাটত সত্যভামাই কৃষ্ণৰ ওপৰত কিয় আৰু কেনেদৰে অভিমান কৰিছে, লিখা।

*অথবা*

“হে কৃষ্ণ, ওহি পাৰিজাতক গন্ধ তিনি প্ৰহৰেক যাইঃ।” —বুলি নাৰদে কেনেদৰে পাৰিজাত ফুলৰ বিৱৰণ দিছে, লিখা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্য ৰচনাৰ সামাজিক পটভূমিৰ বিষয়ে লিখা।

*অথবা*

শংকৰদেৱৰ ৰচনাত ভাগৱতৰ প্ৰভাৱ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(খ) 'শিশু লীলা'ৰ আধাৰত কৃষ্ণৰ শিশু লীলাৰ বৰ্ণনা কৰা।

*অথবা*

'গজেন্দ্ৰ' উপাখ্যানৰ কাহিনীটো বৰ্ণনা কৰা।

(গ) ৰাজসূয় যজ্ঞত ৰজা হৰিশ্চন্দ্ৰই কাক, কেনেদৰে দক্ষিণা দান কৰিছিল, লিখা।

*অথবা*

হৰিশ্চন্দ্ৰ নৃপতিয়ে আন দেৱতাৰ পৰিৱৰ্তে হৰি পূজাৰ সপক্ষে আগবঢ়োৱা যুক্তিসমূহ হৰিশ্চন্দ্ৰ উপাখ্যানৰ অন্তৰ্ভুক্ত 'হৰি পূজা'ৰ আধাৰত লিখা।

(ঘ) 'পাৰিজাত হৰণ' নাটৰ উদাহৰণেৰে অংকীয়া নাটৰ বিশেষত্বসমূহৰ বিষয়ে লিখা।

*অথবা*

'পাৰিজাত হৰণ' নাটৰ কাহিনীৰ বিকাশত নাৰদ চৰিত্ৰটোৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

★★★